**2023**

# ASSAMESE

( Honours Core )

Paper : ASM–HC–3026

**( Asomiya Kabitar Chaneki )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰামায়ণ'ৰ উপৰি মাধৱ কন্দলিৰ নামত পোৱা আনখন কাব্য কি?

(খ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' কবিতাটি কোনখন কাব্যৰ পৰা লোৱা হৈছে?

(গ) 'শৰৎ বৰ্ণনা' কবিতাটিত উল্লেখ থকা শৰতৰ যি কোনো এটা কাৰ্য উল্লেখ কৰা।

(ঘ) 'বধকাব্য' নামৰ কাব্যশ্ৰেণীৰ ৰচক কোন?

(ঙ) ৰাম সৰস্বতীক পিতৃয়ে দিয়া নাম কি আছিল ?

(চ) কোনখন আলোচনীৰ যোগেদি অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হৈছিল ?

(ছ) ৰঘুনাথ চৌধাৰীয়ে লিখা কথা-কবিতাপুথিখনৰ নাম কি ?

(জ) দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাপুথিখন কোন চনত প্ৰকাশ পাইছিল ?

(ঝ) অজিৎ বৰুৱাৰ প্ৰথম কবিতাপুথিখনৰ নাম কি ?

(ঞ) 'গোলাপী জামুৰ লগ্ন' কবিতাপুথিৰ কবি কোন ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) মাধৱ কন্দলিৰ আন এটা নাম কি ? তেওঁ কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(খ) শংকৰদেৱৰ দুখন তত্ত্বমূলক গ্ৰন্থৰ নাম লিখা।

(গ) 'নিমি নৱসিদ্ধ সংবাদ' আৰু 'পাঞ্চালী বিবাহ' গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা।

(ঘ) নৱকান্ত বৰুৱাৰ প্ৰথম কাব্য-সংকলনখনৰ নাম কি ? তেওঁ কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি পুৰস্কাৰ পাইছিল ?

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাপুথি দুখনৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "জলচৰ থলচৰ জাকে জাকে পক্ষী।
সীতাক বিনান্তে চলি যান্ত লখি লখি॥"

(খ) "ৰাজাক সম্মুখি কহে শুকে যেবে
বাৰিষা সময় গৈল।
শৰত কালৰ যত মহাগুণ
সবেও বিদিত ভৈল॥"

(গ) "ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।"

(ঘ) "জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সিলোকত?"

(ঙ) "কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়
বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰুৰ ফুল।"

(চ) "ধোঁৱা আৰু আন্ধাৰৰ আকাশী খলপাৰে
নামিল স্বয়ং শূন্যতা
নামিল হৃদয়ৰ শূন্যতা।"

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) প্ৰাক্-শংকৰী যুগৰ অসমীয়া কবিতা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

'চিত্ৰকূটৰ চিত্ৰ' কবিতাৰ মাজেদি প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্যৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(খ) শংকৰী যুগৰ অসমীয়া কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

'দ্ৰৌপদীৰ বিলাপ' কবিতাত কৃষ্ণৰ আগত বিলাপ কৰি কেনেদৰে দুখৰ বৰ্ণনা কৰিছে, আলোচনা কৰা।

(গ) ৰোমান্টিক কবিতাৰ বৈশিষ্ট্যসমূহৰ আলোচনাৰে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

ৰোমান্টিক কবিতা হিচাপে দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাৰ এটি বিশ্লেষণাত্মক আলোচনা প্ৰস্তুত কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

*অথবা*

'আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি' কবিতাটি সাম্প্ৰতিক কবিতাৰ লক্ষণৰ আধাৰত বিশ্লেষণ কৰা।

★★★